# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-07-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত। ওদালগুৰিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ।

২। পহিলা ভাদত ৰাজ্যজুৰি ভকত-বৈষ্ণৱৰ হৰি নাম-কীৰ্তন।

৩। উৰিয়ামঘাটত দ্বিতীয় পৰ্যায়ৰ উচ্ছেদ অভিযানত নাগালেণ্ডৰ একাংশ লোকৰ বাধা।

৪। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নৱজাতকৰ মৃত্যু। উচ্চ পৰ্যায়ৰ তদন্তৰ ঘোষণা। *আৰু*

৫। অসম বেডমিণ্টন সন্থাৰ উদ্যোগত অহা ২০ আগষ্টৰ পৰা চাৰিখন জিলাত অস্মিতা চিটী বেডমিণ্টন লীগ।

ooooo

বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে শাসক-বিৰোধী সকলো দলেই নিজৰ দলীয় ভেটি শক্তিশালী কৰাৰ বাবে বিভিন্ন স্থানত সভা অনুষ্ঠিত কৰি আহিছে। আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ওৰাং আৰু ওদালগুৰিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। বিটিচি পৰিষদীয় নিৰ্বাচনত বিজয় সাব্যস্ত কৰাৰ লক্ষ্যৰে ড০ শৰ্মাই ওদালগুৰি জিলাৰ সদৰত আৰু ওৰাং চাহ বাগিচাত দুখনকৈ সভাত অংশগ্ৰহণ কৰি দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। এইবাৰৰ নিৰ্বাচন বিটিআৰৰ ৰাইজৰ বাবে সমস্যাবিহীন, বিকশিত আৰু প্ৰগতিশীল বিটিআৰ গঢ়িবলৈ এটা সুবৰ্ণ সুযোগ বুলি বিজেপি জ্যেষ্ঠ নেতাগৰাকীয়ে মন্তব্য কৰে। ৰৌতা, পাঁচনৈ চেৰফাং, ধনশিৰি আৰু ভৈৰৱকুণ্ড সমষ্টিৰ দলীয় কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰি ড০ শৰ্মাই এই মাহৰ তৃতীয় সপ্তাহত পৰিষদীয় নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি আৰু ছেপ্তেম্বৰ মাহৰ দুৰ্গা পূজাৰ আগে আগে নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰে।

কালি বিজনীত বিজনী জিলা বিপিএফৰ উদ্যোগত আশীৰ্বাদ যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে উলিওৱা সমদলত বিজনী বিধানসভা সমষ্টিৰ অন্তৰ্গত সুবাইঝাৰ, মানস চেৰফাং আৰু থুৰিবাৰী ব্লক বি পি এফৰ কেইবাহাজাৰ সমৰ্থকে অংশগ্ৰহণ কৰে।

একেদৰে কংগ্ৰেছ দলেও বিটিচিৰ পৰিষদীয় নিৰ্বাচনে সামৰি লোৱা জিলাসমূহত নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰা পৰিলক্ষিত হৈছে। বাক্সা জিলাত কালি শালবাৰী পৰিষদীয় সমষ্টিৰ ছলিকান্দাত বিটিচি পৰিষদীয় নিৰ্বাচন প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে অংশগ্ৰহণ কৰে।

ooooo

আজি পহিলা ভাদ। অসমীয়া সমাজত পবিত্ৰ মাহ হিচাপে পৰিগণিত ভাদ মাহৰ আৰম্ভণি উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰীকৃষ্ণৰ জন্মোৎসৱ আৰু মহাপুৰুষ দুজনাৰ পূণ্য তিথি পালন কৰা এই পবিত্ৰ মাহটোত হৰিনামৰ ধ্বনিয়ে আধ্যাত্মিক চিন্তা-চেতনাৰে আমাৰ উজ্জীৱিত কৰি ৰাখে বুলি মন্তব্য কৰে। ড০ শৰ্মাই পহিলা ভাদৰ দিনটোত ৰাজ্যবাসীলৈ শুভেচ্ছা যাঁচি অসমীয়া সমাজৰ শান্তি-সম্প্ৰীতি অক্ষুণ্ণ ৰখাৰ কামনা কৰে।

অসমীয়া বৈষ্ণৱ সমাজত বিশেষ তাৎপৰ্য বহন কৰা এই মাহজুৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহত নাম প্ৰসংগ অনুষ্ঠিত হয়। সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীৰ সত্ৰ নামঘৰসমূহ আজি পহিলা ভাদ উপলক্ষে নাম-প্ৰসংগ, বৰগীত,

গুণমালা-কীৰ্তন আৰু হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে। জিলাখনৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত আজিৰে পৰা মাহজোৰা নামকীৰ্তনৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত মাজুলীৰ পৰা আমাৰ সংবাদদাতা বিকাশ শইকীয়াৰ আগত এগৰাকী ভকতে এইদৰে মনৰ ভাৱ ব্যক্ত কৰে।

**বাইট**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱা থানতো ভাদ মাহ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। একেদৰে বৰপেটাৰ কীৰ্তন ঘৰ, যোৰহাট জিলাৰ টীয়কৰ ঐতিহাসিক শ্ৰীশ্ৰীমাধৱদেৱ প্ৰতিষ্ঠিত ঢেকীয়াখোৱা নামঘৰ, মহাপুৰুষ শংকৰদেৱ তিৰোভাৱ ক্ষেত্ৰ কোচবিহাৰৰ মধুপুৰ সত্ৰ, ধুবুৰীৰ ঐতিহ্যমণ্ডিত ৰামৰায়কুটি, মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান নাৰায়ণপুৰৰ লেটেকুপুখুৰীতো আজিৰে পৰা পৱিত্ৰ ভাদ মাহৰ চাৰি প্ৰসংগীয়া নাম আয়োজন কৰা হৈছে। ভাদ মাহ উপলক্ষে ঢেকীয়াখোৱা নামঘৰত অগণন ভক্তক আদৰিবৰ বাবে নামঘৰ পৰিচালনা সমিতি সাজু হৈ উঠিছে। তদুপৰি ভক্তসকলৰ সুবিধাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষীৰ লগতে স্বেচ্ছাসেৱীসকলে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে পদ্মশ্ৰী সন্মানেৰে সন্মানিত উদ্ভাৱক উদ্ধৱ ভৰালীয়ে আৱিষ্কাৰ কৰা মাহ প্ৰসাদ ধোৱা এটি বিশেষ যন্ত্ৰ এইবাৰ ঢেকীয়াখোৱা বৰনামঘৰলৈ যশস্বী লোকশিল্পী প্ৰয়াত ডলী দাসৰ পৰিয়ালে আগবঢ়াইছে।

গুৱাহাটী মহানগৰীৰ শিলপুখুৰী মহিলা নামঘৰ, আমবাৰীৰ গোপাল কৃষ্ণ নামঘৰ, নুনমাটিৰ শংকৰী কৃষ্টি নামঘৰকে ধৰি বিভিন্ন ৰাজহুৱা নামঘৰসমূহতো ভক্তিপ্ৰাণ ৰাইজে ভাদ মাহৰ নাম পৰিৱেশন কৰিছে।

০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি লোকসভাত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰে। ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান অৰ্থাত আই আই এম গুৱাহাটীক ৰাষ্ট্ৰীয় গুৰুত্বৰ প্ৰতিষ্ঠানসমূহৰ সূচীত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে এই বিধেয়কখন উত্থাপন কৰা হৈছে।

আমাৰ পূৰ্বৰ বাতৰিতে কোৱা হৈছে যে, কেন্দ্ৰীয় মন্ত্ৰীসভাই গুৱাহাটীত আই আই এম স্থাপনৰ বাবে যোৱা ১২ আগষ্টত অনুমোদন জনায়। এই প্ৰতিষ্ঠানটো উত্তৰ-পূবৰ দ্বিতীয় আৰু দেশৰ ২২ সংখ্যক আই আই এম হিচাপে পৰিগণিত হ'ব। এই প্ৰতিষ্ঠানটো নিৰ্মাণত ৫০০ কোটি টকাৰো অধিক ধন ব্যয় কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰিছে। এই পদক্ষেপে গুৱাহাটীত উত্তৰ-পূবৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে পদ্মশ্ৰী সন্মানেৰে সন্মানিত খ্যাতনামা অস্থিৰোগ বিশেষজ্ঞ ডাঃ বি কে এছ্ সঞ্জয়ক এইমছ্ গুৱাহাটীৰ অধ্যক্ষ হিচাপে মনোনীত কৰিছে। ডাঃ সঞ্জয় এগৰাকী প্ৰখ্যাত অস্থিৰোগ বিশেষজ্ঞ হোৱাৰ উপৰি গৱেষক, শিক্ষাবিদ, লেখক, সুবক্তা, কবি আৰু সমাজকৰ্মী হিচাপেও খ্যাতি অৰ্জন কৰিছে। কেইবাটাও জটিল অস্ত্ৰোপচাৰ, চিকিৎসা বিষয়ক গৱেষণা আৰু সামাজিক ক্ষেত্ৰত কৃতিত্বৰ বাবে তেওঁৰ নাম গীনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডছতো অন্তৰ্ভুক্ত হৈছে। উল্লেখযোগ্য যে দেশৰ চিকিৎসা, শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত এইমছ অগ্ৰণী প্ৰতিষ্ঠান হিচাপে পৰিগণিত হৈছে। ২০১৭ চনৰ ২৬ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধাৰশিলা স্থাপন কৰা এইমছ গুৱাহাটীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণক গুণগত মান সম্পন্ন স্বাস্থ্য সেৱা আৰু চিকিৎসা সেৱাৰ উপৰি শিক্ষাৰ্থীসকলক গৱেষণাৰ সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত জিলা প্ৰশাসন আৰু বন বিভাগে আজি পাঁচখন গাঁৱত দ্বিতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান আৰম্ভ কৰে যদিও নাগালেণ্ডৰ একাংশ লোকে বাধা প্ৰদান কৰাৰ বাবে এই অভিযান বিঘ্নিত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে এই অভিযান আৰম্ভ কৰাৰ পাছতে প্ৰতিবেশী ৰাজ্যখনৰ একাংশ লোকে বাধা দিয়াক লৈ সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নাগালেণ্ড প্ৰশাসনৰ সৈতে হোৱা আলোচনা মৰ্মে সাময়িকভাৱে এই অভিযান বন্ধ কৰা হয়। পৰৱৰ্তী পৰ্যায়ত দুয়োখন ৰাজ্যৰ সীমামূৰীয়া জিলাৰ আয়ুক্তৰ মাজত আলোচনা অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে।

উল্লেখযোগ্য যে ৰাণা নগৰ, হাতীডুবি, হালধিবাৰী, দুৰ্গাপুৰ আৰু ১ নম্বৰ মধুপুৰ গাঁৱত আজি প্ৰশাসনে দ্বিতীয় পৰ্যায়ত উচ্ছেদ অভিযান আৰম্ভ কৰিছিল। এই গাঁও কেইখনৰ ৫৭টা পৰিয়ালে উচ্ছেদৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰাত ন্যায়ালয়ে আজি পৰ্যন্ত তেওঁলোকক সাময়িকভাৱে সকাহ দিছিল।

কালি বন বিভাগে পিঠাঘাট অঞ্চলৰ প্ৰায় ৩০০ বিঘা মাটি দখল কৰি তামোল বাৰী স্থাপন কৰা হাৰেশ আলী নামৰ লোকজনৰ তামোল বাৰী কাটি তহিলং কৰে। পিঠাঘাট অঞ্চলত চৰকাৰে বৃহৎ গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰিছে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ'ৰেও অংশগ্ৰহণ কৰাৰ কথা।

ইপিনে, বিশ্বনাথ জিলা প্ৰশাসনে জিলাখনৰ ননকে জাপৰিগুৰিৰ ৩০৯ টা পৰিয়ালে দখল কৰি থকা ভূমি আজি দ্বিতীয় দিনৰ বাবে চলোৱা অভিযানৰ দিনৰ ১২ বজাত সামৰণি পৰে। কটকটীয়া নিৰাপত্তাৰ মাজত এই অভিযান চলোৱা হৈছিল যদিও একাংশ উচ্ছেদিত লোকে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰাৰ অপচেষ্টা চলায়। অৱশ্যে আৰক্ষীয়ে পৰিস্থিত নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হয়। কালি ভূমিৰ চৰকাৰী জৰীপ নোহোৱা জাপৰিগুৰিৰ ১৭৫ বিঘা ভূমিত উচ্ছেদ চলোৱা হৈছিল। উল্লেখযোগ্য যে যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছিল। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা মণ্ডলত ভাগ কৰা হৈছে। দুটা মণ্ডলত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। তদুপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে।

নগাঁও জিলা প্ৰশাসনে অহা মাহৰ প্ৰথম সপ্তাহত জিলাখনত দখলকাৰীৰ কবলত থকা ১৯ হাজাৰ ৭০৯ বিঘা ভূমিক উচ্ছেদ অভিযান চলাবলৈ সাজু হৈছে। জিলাখনৰ আয়ুক্তই এই ভূমিত বসবাস কৰি থকা লোকসকলক অঞ্চলটোৰ পৰা আঁতৰি যাবলৈ আহ্বান জনাইছে।

০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নৱজাতকৰ বাবে থকা আই চি ইউত বিছনাৰ পৰা পৰি কালি এটি নৱজাতকৰ মৃত্যু হোৱাৰ লগতে আন এটি নৱজাতক গুৰুতৰভাৱে আহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে কালি বিয়লি এটি নৱজাতক বিছনাৰ পৰা পৰি যোৱাৰ লগতে আন এটি ফটো থেৰাপি মেচিনত ওলমি ৰয়। এগৰাকী মহিলাই এই ঘটনা প্ৰত্যক্ষ কৰি দায়িত্বত থকা চিকিৎসক আৰু নাৰ্ছক খবৰ দিয়াত দুয়োটা নৱজাতকক উদ্ধাৰ কৰা হয় যদিও এটি শিশুৰ মৃত্যু হয়। মৃত শিশুটিৰ যোৱা ১৫ আগষ্টত হাস্পতালখনত জন্ম হৈছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাৰ তদন্তৰ বাবে গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তক নিৰ্দেশ দিছে। তেওঁ লগতে হাস্পতাল কৰ্তৃপক্ষক ততালিকে চি চি টিভি ফুটেজ পৰীক্ষা কৰিবলৈ আৰু এখন তদন্ত কমিটি গঠন কৰি ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিছে। এই ঘটনাত দোষী সাব্যস্ত লোকক কঠোৰ শাস্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে।

**(বাইট)**

০০০০০

বিশিষ্ট সাহিত্যিক, চলচ্চিত্ৰ পৰিচালক, অভিনেতা আৰু ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী লক্ষ্যধৰ চৌধুৰীৰ পূণ্য তিথি উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা সংগ্ৰামী আৰু সুবক্তা চৌধুৰীয়ে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ১৯৬৭ চনত অসম বিধানসভালৈ নিৰ্বাচিত চৌধুৰীয়ে ১৯৭৮ চনত পুনৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈ ৰাজ্যৰ শিক্ষা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিল। ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰত জাগৰণৰ সূচনা কৰাত অগ্ৰণী ভূমিকা লোৱা চৌধুৰী শৈশৱৰে পৰা নাট্যাভিনয়ৰ সৈতে জড়িত আছিল। কেইবাখনো নাটক ৰচনা কৰা লক্ষ্যধৰ চৌধুৰীয়ে একলব্য, নিমিলা অংক, ঠিকনা ইত্যাদি নাট্য সংকলন অনুভৱ, মানুহ বিচাৰিকে ধৰি কেইবাখনো গ্ৰন্থৰে অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াই গৈছে। অসম সাহিত্য সভাৰ গোৰেশ্বৰ অধিৱেশনৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা চৌধুৰীয়ে ১৯৫৫ চনত মুক্তিপ্ৰাপ্ত নিমিলা অংক আৰু ১৯৪৭ চনত মুক্তিলাভ কৰা বদন বৰফুকন চলচ্চিত্ৰত অভিনয় কৰিছিল। ১৯৬১ চনত মুক্তিলাভ কৰা লাচিত বৰফুকন চলচ্চিত্ৰখন তেওঁ প্ৰবীণ ফুকনৰ সৈতে যুটীয়াভাৱে পৰিচালনা কৰিছিল। নিমিলা অংক ছবিখনো তেওঁ পৰিচালনা কৰিছিল। ৰসিকতা আৰু বাগ্মিতা গুণৰ বাবে অগণন লোকৰ প্ৰিয়ভাজন হোৱা চৌধুৰীৰ পূণ্য তিথিত আজি বহুলোকে শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তেওঁৰ মৃত্যু তিথি উপলক্ষে শ্ৰদ্ধা নিবেদন কৰি দিয়া এটা বাৰ্তাত অসমৰ সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনত লক্ষ্যধৰ চৌধুৰীৰ অৱদান অনন্য বুলি অভিহিত কৰে। তেওঁৰ বহুমুখী প্ৰতিভাই অসমৰ কেইবাটাও ক্ষেত্ৰলৈ বৰঙণি আগবঢ়াই গৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

00000

অবৈধ বিদেশী নাগৰিকক চিনাক্ত কৰি বাতাৰণৰ দাবীৰে উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থা অৰ্থাৎ নেছ'ৰ আহ্বানত আজি ৰাজ্যৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰ জিলা সদৰত ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নেছ'ৰ আহ্বান মৰ্মে আৰু সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আজি গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত এই কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰতিবাদকাৰী সদস্যসকলে ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰা, অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰ, শুদ্ধ এন আৰ চি, অসম চুক্তি ৰূপায়ণকে ধৰি কেইবাটাও দাবী তোলে। নেছ'ৰ উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই অবৈধ বিদেশী নাগৰিকৰ প্ৰব্ৰজনে অসমৰ ভাষা-সংস্কৃতি, অৰ্থনীতিত পেলোৱা নেতিবাচক প্ৰভাৱৰ বিষয়ে উল্লেখ কৰাৰ লগতে উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যই ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে বুলি মন্তব্য কৰে।

(বাইট ঃ সমুজ্জল)

00000

অসম বেডমিণ্টন সন্থাই অহা ২০ৰ পৰা ৩০ আগষ্টলৈ ৰাজ্যৰ চাৰিখন জিলাত অস্মিতা চিটী বেডমিণ্টন লীগৰ আয়োজন কৰিছে। সন্থাৰ সম্পাদক ওমৰ ৰছিদে আজি সংবাদ মাধ্যমক এই বিষয়ে অৱগত কৰে। প্ৰতিযোগিতাৰ খেলসমূহ গুৱাহাটী, শিৱসাগৰ, যোৰহাট আৰু ডিব্ৰুগড়ত খেলোৱা হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া মন্ত্ৰালয়ে দেশত মহিলা খেলুৱৈসকলৰ প্ৰতিভা বিকাশ আৰু উত্তৰণৰ লক্ষ্যৰে অস্মিতা আঁচনি গ্ৰহণ কৰি বিভিন্ন ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এইবাৰৰ প্ৰতিযোগিতাত ছোৱালীৰ ১৫, ১৭ আৰু ১৯ বছৰ অনূৰ্ধৰ একক শাখাৰ খেলসমূহ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ সূচী অনুসৰি ২০ৰ পৰা ২২ আগষ্টলৈ গুৱাহাটীত, ২৪ৰ পৰা ২৬ আগষ্টলৈ শিৱসাগৰত, ২৬ৰ পৰা ২৮ আগষ্টলৈ যোৰহাটত আৰু ২৮ৰ পৰা ৩০ আগষ্টলৈ ডিব্ৰুগড়ত অস্মিতা চিটী বেডমিণ্টন লীগৰ খেলসমূহ খেলোৱা হ'ব।

00000

সমাপ্ত